**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-03-2024
**Time :** 1800 Hrs.

***ASSAMESE REGIONAL BULLETIN***
**:::::::::::::::::::::::::::::::::::**

কেন্দ্ৰীয় বন্দৰ, জাহাজ, জলপথ আৰু আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আজি গুৱাহাটীৰ বশিষ্ঠস্থিত ভাৰতীয় জনতাপাৰ্টীৰ কাৰ্যালয়ত উপস্থিত হয়। সমাগত লোকসভা নিৰ্বাচনত ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থীত্ব লাভ কৰা শ্ৰী সোণোৱালে দলীয় নেতা-কৰ্মীসকলৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকৰ পাছত সংবাদমাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী সোণোৱালে লোকসভা নিৰ্বাচনত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে যথেষ্ট ভাল ফলাফল লাভ কৰিব বুলি মন্তব্য কৰে। এইবাৰৰ নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে ৰাজ্যত ১২ খনতকৈ অধিক আসন অৰ্জনৰ লক্ষ্য নিৰ্ধাৰণ কৰা বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

00000

ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশ মৰ্মে যোৰহাট জিলা আয়ুক্ত তথা যোৰহাট লোকসভা সমষ্টিৰ ৰিটাৰ্নিং বিষয়াই এটা নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি লোকসভা নিৰ্বাচনত সমষ্টিটোৰ পৰা অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীসকলে মনোনয়ন পত্ৰ দাখিলৰ সময়ত প্ৰাৰ্থীজনকে ধৰি মুঠ ৫জন ব্যক্তিয়েহে ৰিটাৰ্নিং বিষয়াৰ কাৰ্যালয়ত প্ৰৱেশ কৰিব পাৰিব। তদুপৰি এজন প্ৰাৰ্থীৰ লগত সৰ্বাধিক ৩ খন বাহনৰ কনভয়হে ৰিটাৰ্নিং বিষয়াৰ কাৰ্যালয়ৰ পৰা ১০০ মিটাৰ দূৰত্বলৈ আহিব পাৰিব। এই আদেশ তাৎক্ষণিকভাৱে কাৰ্যকৰী হ'ব আৰু মনোনয়ন প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱালৈকে বাহাল থাকিব।

00000

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ষ্টাৰ্টআপ মহাকুম্ভ আৰম্ভ হৈছে। ভাৰতৰ সৰ্ববৃহৎ ষ্টাৰ্টআপ পৰিস্থিতি তন্ত্ৰক প্ৰদৰ্শন কৰাৰ উদ্দেশ্যে এই ষ্টাৰ্টআপ মহাকুম্ভৰ আয়োজন কৰা হৈছে। অহা ২০ মাৰ্চলৈ চলিবলগীয়া এই অনুষ্ঠানত কৃত্ৰিম বুদ্ধিমত্তা, বি টু বি, কৃষি প্ৰযুক্তি, জলবায়ু প্ৰযুক্তিকে ধৰি বিভিন্ন ক্ষেত্ৰৰ ষ্টাৰ্টআপসমূহ দেখিবলৈ পোৱা যাব। উল্লেখযোগ্য যে  বিনিয়োগকাৰী আৰু উদ্যোগখণ্ডৰ অংশীদাৰসকলক ভাৰতীয় ষ্টাৰ্টআপৰ সৈতে জড়িত কৰাই হৈছে এই অনুষ্ঠানৰ উদ্দেশ্য। এই অনুষ্ঠানটোত দুহেজাৰৰো অধিক ষ্টাৰ্টআপৰ লগতে ৩০ হাজাৰ ভৱিষ্যতৰ উদ্যমী, ৫০ হাজাৰ ব্যৱসায়িক অভ্যাগত আৰু ১০ খন দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব।

00000

যোৰহাট লোকসভা সমষ্টিৰ অধীনৰ ৯৬নম্বৰ শিৱসাগৰ সমষ্টিত আজি বিজেপি দলে এটা নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী পীযুষ হাজৰিকাই শিৱসাগৰ নগৰৰ কে পি চাৰিআলিত  যোৰহাটৰ

বিজেপি দলৰ প্ৰাৰ্থী তপন গগৈৰ উপস্থিতিত আজি আনুষ্ঠানিকভাৱে এই কাৰ্যালয় মুকলি কৰে। যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৌৰৱ গগৈ আজি শিৱসাগৰ জিলাৰ ডিমৌ বিধানসভা সমষ্টি এলেকাৰ বহুকেইখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। গগৈয়ে জিলাখনৰ ডিমৌ বিধানসভা সমষ্টিৰ অধীনৰ থাওৰাত থকা থাওৰা দৌলত আজি পুৱা সেৱা কৰি সমষ্টিটোত নিৰ্বাচনী প্ৰচাৰ যাত্ৰা আৰম্ভ কৰে। উল্লেখযোগ্য যে আজিৰে পৰা শিৱসাগৰ জিলাত প্ৰচাৰ অভিযান আৰম্ভ কৰা বিৰোধী মিত্ৰজোটৰ প্ৰাৰ্থী গৌৰৱ গগৈ দিনটোৰ ভিতৰত ডিমৌ সমষ্টিৰ ৰূপহীবাম, দলপা, ককিলামাৰী আদিকে ধৰি বিভিন্ন অঞ্চলত ৮খন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

০০০০০

সমাগত লোকসভা নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰাৰ উদ্দেশ্যেৰে আজি মৰিগাঁও জিলা আয়ুক্ত তথা জিলা নিৰ্বাচন বিষয়া দেৱাশিষ শৰ্মাই জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন সংবাদমেল অনুষ্ঠিত কৰে। উল্লেখযোগ্য যে দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণত নগাঁও লোকসভা সমষ্টিৰ অন্তৰ্গত মৰিগাঁও নিৰ্বাচন জিলাৰ ৫২ নম্বৰ জাগীৰোড, ৫৩ নম্বৰ লাহৰিঘাট আৰু ৫৪ নম্বৰ মৰিগাঁও বিধানসভা সমষ্টিত ভোটগ্ৰহণ অনষ্ঠিত হ'ব। এই সন্দৰ্ভত শ্ৰী শৰ্মাই দ্বিতীয় পৰ্যায় অৰ্থাৎ ২৬ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনৰ বাবে ২৮ মাৰ্চত অধিসূচনা জাৰি কৰা হ'ব বুলি উল্লেখ কৰে। ৪ এপ্ৰিল মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন আৰু ৫ এপ্ৰিলত মনোনয়ন পত্ৰ পৰীক্ষা কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে।

০০০০০

অসম লোকসেৱা আয়োগে অনুষ্ঠিত কৰা সংযুক্ত প্ৰতিযোগিতামূলক প্ৰাৰম্ভিক পৰীক্ষা ২০২৩ আজি ৰাজ্যৰ ৩২ খন জিলাৰ মুঠ ১১৬টা কেন্দ্ৰত সুকলমে সম্পন্ন হয়। এই পৰীক্ষাৰ জৰিয়তে নিযুক্তি হ'বলগীয়া ২৩৫টা পদৰ বাবে মুঠ ৬৭ হাজাৰ ২৫১ গৰাকী প্ৰাৰ্থীয়ে আবেদন দাখিল কৰিছে। এই ২৩৫টা পদৰ ভিতৰত অসম অসামৰিক সেৱাৰ বাবে ৪৫টা আৰু অসম আৰক্ষী সেৱাৰ বাবে ৩৫টা পদ আছে। উল্লেখযোগ্য যে, পোনপ্ৰথমবাৰৰ বাবে অ' এম আৰ ছীটৰ সৈতে প্ৰাৰ্থীৰ বাবে কাৰ্বন প্ৰতিলিপি উপলব্ধ কৰা হৈছে। আয়োগে জনোৱা মতে মূল পৰীক্ষাৰ প্ৰশ্নকাকতসমূহ ইংৰাজীৰ লগতে অসমীয়াতো উপলব্ধ কৰা হ'ব। আনহাতে মূল পৰীক্ষা চলিত বছৰৰ জুলাই মাহত অনুষ্ঠিত হ'ব। এই পৰীক্ষা সুচাৰুৰূপে পৰিচালনা কৰা বাবে অসম লোকসেৱা আয়োগৰ অধ্যক্ষ ভাৰত ভূষণ দেৱ চৌধুৰীৰ সংশ্লিষ্ট সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰিছে।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহাৰ নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা - প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চোৱাৰ লগতে applications.prasarbharati.org ত আবেদন কৰিব পাৰে। কাইলৈ আবেদন পত্ৰ দাখিলৰ অন্তিম দিন।

০০০০০০০

ঃসমাপ্তঃ